# পাঠঃ ৮

# উত্তৰ-পূব ভাৰত

**মূল অৰ্হতা ঃ**

- ভাৰতবৰ্ষত উত্তৰ-পূব ভাৰতৰ ভৌগোলিক অৱস্থান সম্পৰ্কে জানিব।
- উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰাকৃতিক বিভাগ, জলবায়ু আৰু নদ-নদী সম্পৰ্কে জানিব।
- উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় ইতিহাস আৰু জনগাঁথনিৰ চমু আভাস পাব।
- ৰাজ্য অনুসৰি জনসংখ্যাৰ বিতৰণ সম্পৰ্কে জানিব।
- উত্তৰ-পূব ভাৰতৰ ৰাজ্যবিলাকৰ কৃষি সম্পৰ্কে চমু আভাস পাব।
- উত্তৰ-পূব ভাৰতৰ প্ৰধান উদ্যোগসমূহ আৰু ইয়াৰ বিতৰণ সম্পৰ্কে জানিব।


ষষ্ঠ শ্ৰেণীত তোমালোকে ভাৰতবৰ্ষৰ অৱস্থিতি সম্পৰ্কে পাই আহিছা। ভাৰত গণৰাজ্যৰ এটা অংগ হ'ল উত্তৰ পূৰ্বাঞ্চল। ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত সাতখন ৰাজ্যক একেলগে উত্তৰ-পূব ভাৰত বা ভাৰতৰ উত্তৰ-পূব অঞ্চল বুলি কোৱা হয়। উত্তৰ-পূব ভাৰতৰ এই সীমামুৰীয়া অঞ্চলটো পুবা পশ্চিমাকৈ প্ৰায় ৮৫০ কিল'মিটাৰ আৰু উত্তৰ-দক্ষিণাকৈয়ো প্ৰায় ৮৫০ কিল'মিটাৰ বিস্তৃত। ইয়াৰ সৰ্বমুঠ মাটিকালি ২,৫৫,০৮৩ বৰ্গ কিল'মিটাৰ। উত্তৰ পূৰ্বাঞ্চলৰ বৰ্তমানৰ ৰাজ্যসমূহৰ অধিকাংশই এসময়ত একেটা প্ৰশাসনীয় গোটৰ অধীনত আছিল। পৰৱৰ্তী কালত এই সমূহে বেলেগ বেলেগ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে।

**জানি থওঁ আহা ঃ**

মণিপুৰ আৰু ত্ৰিপুৰাৰ বাহিৰে উত্তৰ-পূব ভাৰতৰ বাকী ৰাজ্যবোৰ এসময়ত একেটা প্ৰশাসনীয় গোটৰ অধীনত আছিল। অৱশ্যে এই দুই ভু-খণ্ড অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশৰ ফালৰ পৰা মূল ভূ-খণ্ডৰ সৈতে সাঙোৰ খাই আছিল। পিছলৈ এইবোৰে বেলেগ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে।

| ৰাজ্যৰ নাম | পৃথক হোৱাৰ বৰ্ষ |
|---|---|
| নাগালেণ্ড | ১৯৬৩ |
| মিজোৰাম | ১৯৭২ |
| মেঘালয় | ১৯৭২ |
| নেফা (NEFA) (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) | ১৯৬৩ (অৰুণাচল প্ৰদেশ হিচাপে স্বীকৃতি ১৯৭২) |

২০° উত্তৰ অক্ষাংশ আৰু ২৯°৩০′ উত্তৰ অক্ষাংশৰ মাজত আৰু ৮৯°৪৬′ পূব দ্ৰাঘিমাংশৰ পৰা ৯৭°৩০′ পূব দ্ৰাঘিমাংশৰ ভিতৰত উত্তৰ-পূব ভাৰত অৱস্থিত। এই ভু-খণ্ডক উত্তৰ দিশত হিমালয়, পূব আৰু দক্ষিণ দিশত ক্ৰমে পাটকাই আৰু নগা পাহাৰে আগুৰি আছে (চিত্ৰ ৮.১)।




*চিত্ৰঃ ৮.১ মানচিত্ৰ*

উত্তৰ-পূব ভাৰতক তিনিওফালে পৰ্বত আৰু পাহাৰে আবৰি আছে। পশ্চিম ফালৰ ঠেক সমতল অংশটোৱে উত্তৰ-পূব অঞ্চলক ভাৰত ভূ-খণ্ডৰ সৈতে সংযোগ কৰিছে। এই অংশটো প্ৰায় ৪০ কিল'মিটাৰ বহল।

| ৰাজ্য | মুঠ মাটিকালি (বঃ কিঃ) | জিলাৰ সংখ্যা | ৰাজধানী |
|---|---|---|---|
| অসম | ৭৮,৪৩৮ | ৩৩ | দিছপুৰ |
| অৰুণাচল | ৮৩,৭৪৩ | ১৬ | ইটানগৰ |
| মণিপুৰ | ২২,৩২৭ | ৯ | ইম্ফল |
| মিজোৰাম | ২৯,০৮১ | ৮ | আইজল |
| মেঘালয় | ২২,৪২৯ | ৭ | ছিলং |
| নাগালেণ্ড | ১৬,৫৭৯ | ৯ | কহিমা |
| ত্ৰিপুৰা | ১০,৪৮৬ | ৪ | আগৰতলা |

**ক্ৰিয়াকলাপ ঃ**

- উত্তৰ-পূব ভাৰতৰ ৰাজ্য আৰু ৰাজধানীসমূহৰ নাম লিখা।
- এই অঞ্চলৰ আটাইতকৈ সৰু আৰু ডাঙৰ ৰাজ্য দুখনৰ নাম কি?
- উত্তৰ-পূব ভাৰতৰ চাৰি সীমাত থকা বিদেশী ৰাষ্ট্ৰসমূহৰ নাম লিখা।

## ভৌগোলিক বৈশিষ্ট্য ঃ

প্ৰাকৃতিক সৌন্দৰ্য আৰু বৈচিত্ৰ্যৰ ফালৰ পৰা উত্তৰ-পূব ভাৰতৰ অৱস্থিতি বৈশিষ্ট্যপূৰ্ণ। এই অঞ্চলৰ পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, নদ-নদী, উপত্যকা, জলাহ, খাল-বিল, চৰ-চাপৰি আদি উল্লেখযোগ্য ভূ-অৱয়ব।


ভূ-প্ৰাকৃতিক দিশৰ পৰা উত্তৰ-পূব ভাৰতক তিনিভাগত ভাগ কৰিব পাৰি। যেনে— মালভূমি অঞ্চল, পাৰ্বত্য অঞ্চল আৰু সমভূমি অঞ্চল। পাৰ্বত্য অঞ্চলক আকৌ উচ্চ পাহাৰীয়া আৰু পাহাৰীয়া অঞ্চল হিচাপে ভাগ কৰিব পাৰি।

**মালভূমি অঞ্চল ঃ** উত্তৰ-পূব ভাৰতৰ ভিতৰত মেঘালয় মালভূমি আৰু অসমৰ কাৰ্বি মালভূমিয়েই প্ৰধান। মেঘালয়, মালভূমিৰ ভিতৰত গাৰো-খাছী পাহাৰ অন্তৰ্ভুক্ত। আনহাতে, কাৰ্বি মালভূমিৰ ভিতৰত হামৰেণ পাহাৰ, কাৰ্বি ৰেংমা পাহাৰ অন্তৰ্গত। এই দুই মালভূমি এসময়ত একেলগে সংযুক্ত হৈ আছিল যদিও কালক্ৰমত কপিলী আৰু ধনশিৰি নদীৰ ক্ষয় কাৰ্যৰ ফলত মেঘালয় আৰু কাৰ্বি মালভূমি পৃথক হৈ পৰিছে।

**পাৰ্বত্য অঞ্চল ঃ** সমগ্ৰ অৰুণাচল প্ৰদেশ হিমালয় পৰ্বতমালাৰ অন্তৰ্ভুক্ত। ইয়াৰ উত্তৰ অংশৰ উচ্চতা বেছি। শীতকালত এই অঞ্চলটোৰ ওপৰ ভাগ বৰফেৰে ঢাক খাই থাকে। ইয়াৰ পাহাৰসমূহ পূবা পশ্চিমকৈ প্ৰায় সমান্তৰালভাৱে বিস্তৃত হৈ আছে। সেইদৰে পূৰ্ব দিশত অৱস্থিত নাগালেণ্ড, অসমৰ কাৰ্বি পাহাৰ, মণিপুৰৰ বিস্তৃত এলেকা পাহাৰেৰে আবৃত। ইয়াৰ ভিতৰত পাটকাই পাহাৰ, বৰাইল পাহাৰ আদিয়েই প্ৰধান। মিজোৰামতো বহুতো পাহাৰ বিস্তৃত হৈ আছে।

**সমভূমি অঞ্চল ঃ** উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ সমভূমি, বৰাক সমভূমি, মণিপুৰ সমভূমি আৰু পশ্চিম ত্ৰিপুৰা সমভূমিয়েই প্ৰধান।

উত্তৰ পূৰ্বাঞ্চলৰ ভূ-অৱয়বৰ এই ভাগ তিনিটাৰ লগতে এই ভূখণ্ডত প্ৰবাহিত হৈ থকা অসংখ্য নদ-নদী, উপনৈসমূহ আৰু হ্ৰদ তথা নদী দ্বীপ আদি অৱয়ব বিৰাজমান। উদাহৰণস্বৰূপে, মণিপুৰৰ লোগটক হ্ৰদ আৰু নদীদ্বীপ মাজুলীৰ নাম উল্লেখ কৰিব পাৰি (চিত্ৰ ৮.২)।




*চিত্ৰ ঃ ৮.২ মানচিত্ৰ*

**ক্ৰিয়াকলাপ ঃ**

- উত্তৰ-পূব ভাৰতৰ মূল প্ৰাকৃতিক বিভাগ কেইটা আৰু কি কি?
- কাৰ্বি মালভূমি কোন ৰাজ্যত অৱস্থিত?
- উত্তৰ পূৰ্বাঞ্চলৰ সমভূমিবোৰৰ নাম লিখা।
- শুদ্ধ উত্তৰ দিয়া—

(ক) মেঘালয় সমভূমি/মালভূমি।

(খ) ধনশিৰি আৰু কপিলী নদীয়ে কাৰ্বি মালভূমি আৰু মেঘালয় মালভূমিক সংযোগ/ভাগ কৰিছে।

**উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ কেইটামান ভৌগোলিক তথ্য—**

| ৰাজ্য | প্ৰধান পাহাৰ | প্ৰধান শৃংগ | প্ৰধান নদ-উপনদী |
|---|---|---|---|
| অসম | উত্তৰ কাছাৰ আৰু কাৰ্বি পাহাৰ | বৰাইল পৰ্বতত থকা লাইকাই, থৈই পিবুং মহাদেয়, সিংহাসন | ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, জীয়া ভৰলী, মানাহ, বুঢ়ী দিহিং, ধনশিৰি, কপিলী, বৰাক আদি |
| অৰুণাচল | অকা পাহাৰ, ডফলা পাহাৰ, আবৰ, নংগন, চনবাম, আৰুখলা, মিচিমি, পাটকাই | কাংটো, কুলা কাংগেৰী, ছুমলাৰী | ছিয়াং, লুইত, সোৱণশিৰি, জীয়া ভৰলী |
| নাগালেণ্ড | পাটকাই পাহাৰ, নাগালেণ্ড পাহাৰ, বৰাইল পাহাৰ | ছাৰামাটি শৃংগ, জাপফ' | ঝুমকি, দয়াং, টিজু |
| মণিপুৰ | পাটকাই পাহাৰ, মণিপুৰ পাহাৰ | মাউণ্ট টেনিপ চিৰই, মায়েংবুং, লেইবাট | বৰাক, ইম্ফল, ইৰিল |
| ত্ৰিপুৰা | জামপাই পাহাৰ, চাখনি পাহাৰ, লানচটৰ পাহাৰ | | গোমতী, চলাই, মুহুৰি, ফেনি |
| মিজোৰাম | মিজো পাহাৰ, আৰাকান-য়'মা পাহাৰ | ব্লু মাউণ্টেইন (ফাৱাপুই) | কালাদন, টুইভাই সোণাই, টলং, লংগাই |
| মেঘালয় | গাৰো পাহাৰ, খাছী পাহাৰ, জয়ন্তীয়া পাহাৰ | ছিলং, নক্ৰেক | উমট্ৰু (ডিগাৰু) উমিয়াম (বৰাপানী) সোমেশ্বৰী, দুধনৈ। |

(* মেঘালয় আৰু কাৰ্বি মালভূমিৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে।)

## উত্তৰ-পূব ভাৰতৰ জলবায়ু

উত্তৰ-পূব ভাৰতৰ দক্ষিণ দিশত থকা ত্ৰিপুৰা আৰু মিজোৰামৰ মাজেদি কাল্পনিক কৰ্কটক্ৰান্তি ৰেখাডাল পাৰ হৈ গৈছে। সেইবাবে এই অঞ্চল ক্ৰান্তীয় জলবায়ুৰ অন্তৰ্গত। ইয়াত মৌছুমী বায়ুৰ প্ৰভাৱত প্ৰচুৰ পৰিমাণে বৰষুণ হয়। ইয়াৰ জলবায়ু গৰম আৰু সেমেকা তথা আৰ্দ্ৰতা বেছি। কিন্তু শীতকালি বতৰ কিছু শুকান হৈ থাকে।

উত্তৰ-পূব ভাৰতৰ জলবায়ু প্ৰধানকৈ তলত দিয়া কাৰকসমূহৰ দ্বাৰা প্ৰভাৱান্বিত।

১। এই অঞ্চলত থকা পাহাৰ, মালভূমি আৰু পৰ্বতসমূহৰ অৱস্থিতি।

২। বঙ্গোপসাগৰৰ ওপৰত বিভিন্ন ঋতুত সৃষ্টি হোৱা চাপৰ তাৰতম্য।

৩। দক্ষিণ পশ্চিম মৌছুমী বতাহ আৰু উত্তৰ পুব মৌছুমী বতাহৰ প্ৰভাৱ।

৪। এই অঞ্চলৰ বিস্তৃত জলৰাশি আৰু বনাঞ্চলসমূহ।

৫। স্থানীয়ভাৱে সৃষ্টি হোৱা ঘূৰ্ণি বতাহ আদি।

**ক্ৰিয়াকলাপ ঃ**

- উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত গ্ৰীষ্মকালি কিয় প্ৰচুৰ বৰষুণ হয়?
- এই অঞ্চলৰ জলবায়ুক প্ৰভাৱিত কৰা তিনিটা কাৰক উল্লেখ কৰা।

## উত্তৰ-পূব ভাৰতৰ জনসংখ্যা ঃ

উত্তৰ-পূব ভাৰতৰ জনগাঁথনি সম্পৰ্কে জানিবলৈ হ'লে আমি অতীজৰে পৰা এই অঞ্চললৈ হোৱা জন প্ৰব্ৰজন সম্পৰ্কে জনাটো প্ৰয়োজন। অনুমান কৰা হৈছে যে, উত্তৰ-পূব ভাৰতলৈ অষ্ট্ৰ' এছিয়সকলেই প্ৰথমে দক্ষিণ পূব এছিয়াৰ পৰা আহিছিল। তেওঁলোক বৰ্তমানৰ মেঘালয়ৰ খাছীসকল আৰু মধ্য ভাৰতৰ পৰা অহা মুণ্ডা, হো, চাৱৰা, ওৰাং, গোণ্ড আদি চাহ জনগোষ্ঠীৰ লোকসকল। দ্বিতীয়তে, তিৰ্বতীয় চীনা ভাষীক গোষ্ঠীৰ লোকসকল এই অঞ্চলত প্ৰৱেশ কৰে। বৰ্তমান অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু অসমত বসবাস কৰা মংগোলীয় প্ৰজাতিৰ লোকসকল ইয়াৰ উদাহৰণ। এওঁলোক ক্ৰমে মিচিং, বড়ো, কাচিম, কুকী-চীন আদি লোকসকল। আনহাতে একে গোষ্ঠীৰে কিছু লোক ব্ৰহ্মদেশৰ চান অঞ্চলৰ পৰা আহি উজনি অসমত বাস কৰিবলৈ লয়। তেওঁলোক হ'ল বৰ্তমানৰ আহোম আৰু টাইসকল। তৃতীয়তে, ইণ্ডো ইউৰোপীয় জনগোষ্ঠীৰ লোকসকল ক্ৰমে ভাৰতৰ সমভূমি অঞ্চলৰ পৰা অহা হিন্দু আৰু থলুৱা মুছলমানসকল, নেপালৰ পৰা অহা নেপালীসকল। ইয়াৰ উপৰি পূৰ্ববংগ(পৰৱৰ্তী সময়ত পূব পাকিস্তান আৰু বৰ্তমান বাংলাদেশ)ৰ পৰা অহা প্ৰব্ৰজনকাৰী মুছলমান আৰু হিন্দুসকল এই ইণ্ডো ইউৰোপীয় জনগোষ্ঠীৰ অন্তৰ্গত। এই আটাইবোৰ জনপ্ৰৱাহ একে সময়তে হোৱা নাছিল। বৰঞ্চ ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন কাৰণত এনে জনগোষ্ঠীৰ আগমন ঘটিছিল। অসম আৰু ত্ৰিপুৰাত এই লোকসকল বাস কৰা দেখা যায়। কালক্ৰমত প্ৰায় সকলো জনগোষ্ঠীৰ প্ৰত্যেকৰ মাজতে সংমিশ্ৰণ ঘটিছে। তাৰ উপৰি স্বাধীনতাৰ আগত বৃটিছসকলে উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত তেওঁলোকৰ বাণিজ্য আৰু প্ৰশাসনীয় কাম কাজৰ সুবিধাৰ বাবে কিছুসংখ্যক লোকক ভাৰতৰ অন্যান্য ঠাইৰ পৰা এই অঞ্চললৈ আনিছিল। তাৰ ভিতৰত চাহ বনুৱা আৰু বঙালী সম্প্ৰদায়ৰ লোকেই প্ৰধান। বঙালী সম্প্ৰদায়ৰ লোকসকল বৰ্তমান ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ লগতে অন্যান্য ৰাজ্যসমূহত সিঁচৰতি হৈ আছে।

ইয়াৰোপৰি, সময়ে সময়ে হিন্দী ভাষী বিহাৰী আৰু মাৰোৱাৰীসকল আৰু নেপালৰ পৰা অহা গোৰ্খালোকসকল এই অঞ্চলৰ বিভিন্ন ঠাইত থিতাপি লয়। হিন্দী ভাষীসকল ব্যৱসায় বাণিজ্য আৰু নেপালীসকল ঘাঁহনি থকা অঞ্চলবোৰত পশুপালন বৃত্তি আৰু কৃষি কাৰ্যৰ সৈতে জড়িত হয়।

উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ জনসংখ্যা অঞ্চল ভেদে কম বেছি হোৱা দেখা যায়। ইয়াৰ কাৰণ, ভৌগোলিক তথা অৰ্থনৈতিক যদিও প্ৰধান কাৰণ হ'ল **জনপ্ৰব্ৰজন**। অসম, ত্ৰিপুৰা আৰু মণিপুৰ ৰাজ্যত জনসংখ্যা বৃদ্ধি হোৱাৰ কাৰণ হ'ল ইয়াত থকা সাৰুৱা মাটি আৰু বিভিন্ন সম্পদসমূহ। যেনে— চাহ শিল্প, তৈলক্ষেত্ৰ, নদীৰ সাৰুৱা কৃষিভূমি, ইত্যাদি। এই ৰাজ্যসমূহৰ ভিতৰত অসমৰ জনসংখ্যা আটাইতকৈ বেছি।

| ৰাজ্যৰ নাম | জনসংখ্যা | জনসংখ্যা বৃদ্ধিৰ হাৰ (২০০১ ৰ পৰা ২০১১) | ঘনত্ব প্ৰতি বৰ্গ কিঃ মি | পুৰুষ-মহিলাৰ অনুপাত* |
|---|---|---|---|---|
| অসম | ৩,১১,৬৯,২৭২ | ১৬.৯৩ | ৩৯৭ | ৯৫৪ |
| অৰুণাচল | ১৩,৮২,৬১১ | ২৫.৯২ | ১৭ | ৯২০ |
| নাগালেণ্ড | ১৯,৮০,৬০২ | ০.৪৭ | ১১৯ | ৯৩১ |
| মণিপুৰ | ২৭,২৯,৭৫৬ | ১৮.৬৫ | ১২২ | ৯৮৭ |
| মিজোৰাম | ১০,৯১,০১৪ | ২২.৭৮ | ৫২ | ৯৭৫ |
| ত্ৰিপুৰা | ৩৬,৭১,০৩২ | ১৪.৭৫ | ৩৫০ | ৯৬১ |
| মেঘালয় | ২৯,৬৪,০০৭ | ২৭.৮২ | ১৩২ | ৯৮৬ |

* প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা।

**উৎস** ঃ ২০১১ চনৰ লোকপিয়লৰ তদৰ্থ (Provisional) তথ্য।

**ক্ৰিয়াকলাপ ঃ**

- উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্যত জনসংখ্যা আটাইতকৈ বেছি লিখা।
- "উত্তৰ-পূব ভাৰতত দিনক দিনে জনসংখ্যা বৃদ্ধি পাই আহিছে"— দুটা কাৰণ উল্লেখ কৰা।

## উত্তৰ-পূব ভাৰতৰ কৃষি ঃ

উত্তৰ-পূব ভাৰতৰ অধিকাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ কাৰণ হ'ল— এই অঞ্চলৰ মাটি সাৰুৱা, বৰষুণৰ পৰিমাণ বেছি আৰু জলবায়ুও কৃষিৰ বাবে উপযোগী। এই অঞ্চলত উদ্যোগৰ সংখ্যা কম হোৱা বাবে অধিক সংখ্যক মানুহ কৃষিজীৱি। আকৌ ব্যৱসায় বাণিজ্যৰ সুবিধাও সীমিত। এই অঞ্চলৰ কৃষিৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

১। কৃষিৰ বাবে মাটি কম।

২। বৰষুণৰ ওপৰত অধিক নিৰ্ভৰশীল কাৰণ জলসিঞ্চনৰ সুবিধা কম।

৩। কৃষি পদ্ধতি উন্নত নহয়।

৪। বানপানীৰ প্ৰভাৱ।

৫। পাহাৰীয়া অঞ্চলত খেতিৰ মাটি কম।

ইয়াত বছৰৰ বিভিন্ন সময়ত বিভিন্ন তৰহৰ কৃষিজাত সামগ্ৰী উৎপাদন হয়। সেই অনুসৰি সামগ্ৰীসমূহক খাৰিফ শস্য, ৰবি শস্য আৰু জায়দ (Zaid) শস্য হিচাপে ভাগ কৰা হৈছে।

**খাৰিফ শস্য ঃ** এই খেতি এপ্ৰিল-মে' মাহত আৰম্ভ কৰি নৱেম্বৰ-ডিচেম্বৰ মাহত চপোৱা হয়। যেনে— শালিধান, বাওধান, মৰাপাট, কুঁহিয়াৰ আদি।

**ৰবি শস্য ঃ** এই শস্য শীতকালি আৰম্ভ কৰি জহকালিৰ আগভাগত চপোৱা হয়। যেনে— আহুধান, বৰোধান, সৰিয়হ, মাহ, তিল, ধপাত, ঘেঁহু, মাকৈ, শাক-পাচলি, ফলমূল ইত্যাদি।

**জায়দ শস্য ঃ** সাধাৰণতে এপ্ৰিলৰ পৰা জুন মাহৰ ভিতৰত এবিধ শস্যৰ খেতি কৰা হয়। যেনে — তিয়ঁহ, জিকা, ভোল, কোমোৱা, তৰমুজ আদি।

সমভূমি অঞ্চলত থকা ৰাজ্যকেইখন কৃষিৰ ক্ষেত্ৰত আগবঢ়া। আনহাতে পাহাৰীয়া ৰাজ্যকেইখনত স্থানান্তৰিত খেতি (ঝুম খেতি) কৰা হয়। কাৰণ পাহাৰীয়া অঞ্চলৰ পথাৰত পানী জমা কৰি ৰাখিব নোৱাৰি। ইয়াত কিছু পৰিমাণে বেদিকা কৃষিও কৰা হয়। পাহাৰৰ এঢলীয়া মাটিত খাপ কাটি বেদিকা কৃষি কৰে। পাহাৰ আৰু সমভূমি অঞ্চলৰ এঢলীয়া মাটিত চাহ, ৰবৰ আদিৰ দৰে ৰোপণ কৃষিও কৰা হয়।

### উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ কৃষিভূমি আৰু প্ৰধান শস্য ঃ

| ৰাজ্য | কৃষি ভূমি (হেক্টৰ) | প্ৰধান শস্য |
|---|---|---|
| অসম | ২,৮৮৮.০ | ধান, মাহ, মৰাপাট, কপাহ, কুঁহিয়াৰ, চাহ, ৰবৰ |
| অৰুণাচল | ১৮৪.০ | ধান, ঘেঁহু, মৰাপাট, মাকৈ, সৰিয়হ, কুঁহিয়াৰ, চাহ, আদা |
| মণিপুৰ | ১৬৪.০ | ধান, মাহ, মাকৈ, কুঁহিয়াৰ, ৰবৰ |
| নাগালেণ্ড | ২১১.০ | ধান, মাহ, মাকৈ, কুঁহিয়াৰ, মৰাপাট |
| মিজোৰাম | ৬১.০ | ধান, মাহ, কপাহ, কুঁহিয়াৰ, ৰবৰ |
| মেঘালয় | ১৩১.০ | ধান, মাহ, ঘেঁহু, মৰাপাট, সৰিয়হ, কপাহ, ৰবৰ |
| ত্ৰিপুৰা | ২৫৪.০ | ধান, মাহ, ঘেঁহু কপাহ, মৰাপাট, সৰিয়হ, কুঁহিয়াৰ, চাহ |
| | মুঠ ঃ ৩৮৯৩.০ | |

**ক্ৰিয়াকলাপ ঃ**

১। উত্তৰ-পূব ভাৰতৰ উৎপাদিত কৃষিজাত শস্যক প্ৰধানকৈ কি কি ভাগত ভগোৱা হয়, লিখা।

২। উত্তৰ-পূব ভাৰতৰ কৃষিত প্ৰভাৱ পেলোৱা তিনিটা বৈশিষ্ট্য উল্লেখ কৰা।

### উত্তৰ-পূব ভাৰতৰ উদ্যোগ ঃ

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত এই অঞ্চল কৃষিজ, বনজ আৰু খনিজ সম্পদত চহকী যদিও উদ্যোগৰ ক্ষেত্ৰত পিচপৰা। উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ ভিতৰত তুলনামূলকভাৱে অসমেই উদ্যোগৰ ক্ষেত্ৰত আগবঢ়া।

### উত্তৰ-পূব ভাৰতৰ প্ৰধান উদ্যোগসমূহ

| | | |
|---|---|---|
| তেল শোধনাগাৰ | ঃ | অসমৰ ডিগবৈ, নুনমাটি, বঙাইগাঁও, নুমলিগড়। |
| প্ৰেট্ৰ' ৰাসায়নিক প্ৰকল্প | ঃ | নামৰূপ, বঙাইগাঁও। |
| গ্ৰেছ ক্ৰেকাৰ | ঃ | বৰবৰুৱাৰ লেপেতকটা (ডিব্ৰুগড় জিলা)। |
| চিমেণ্ট উদ্যোগ | ঃ | বোকাজান, উমৰাংচু, বামুণগাঁও, সোণাপুৰ; মণিপুৰৰ হাংডং; অৰুণাচলৰ তেজু; মেঘালয়ৰ চেৰাপুঞ্জী, চিজো, গাৰো পাহাৰ, জয়ন্তীয়া; নাগালেণ্ডৰ ৱাজে। |

| | | |
|---|---|---|
| সাৰ কাৰখানা | ঃ | অসমৰ নামৰূপত আছে। |
| কাগজ উদ্যোগ | ঃ | অসমৰ যোগীঘোপা, জাগীৰোড, বদৰপুৰ, মিজোৰামৰ ভৈৰবী, ত্ৰিপুৰাৰ কুমাৰঘাট আৰু নাগালেণ্ডৰ তুলি। |
| প্লাইউড ফেক্টৰী | ঃ | অসমৰ মাৰ্ঘেৰিটা, মৰিয়নী, তিনিচুকীয়া; মিজোৰামৰ ভৈৰবী; মেঘালয়ৰ বৰ্ণিহাট আৰু নাগালেণ্ডৰ তিজিত। |
| পাট মুগা শিল্প | ঃ | অসমৰ শুৱালকুছি, পলাশবাৰী, বৰ্পেটা। |
| চেনি উদ্যোগ | ঃ | অসমৰ গোলাঘাট, কৰিমগঞ্জ, নগাঁও। |
| বাঁহ-বেত ভিত্তিক উদ্যোগ | ঃ | আটাইকেইখন ৰাজ্যতে আছে। |
| কাঁহ পিতলৰ উদ্যোগ | ঃ | অসমৰ হাজো, সৰ্থেবাৰী। |
| মৃৎ শিল্প উদ্যোগ | ঃ | অসমৰ ধুবুৰী জিলাৰ আশাৰীকান্দি, মৰিগাঁও জিলাৰ ধৰমতুল অঞ্চল, গোৱালপাৰা জিলাৰ দুধনৈ, মৰ্নৈ, ইত্যাদি। |

উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনত পৰ্যটন উদ্যোগৰ বিকাশৰ যথেষ্ট সম্ভাৱনা আছে যদিও বিভিন্ন সমস্যাৰ বাবে ই সফল উদ্যোগ হিচাপে গঢ়ি উঠিব পৰা নাই। উদাহৰণস্বৰূপে, অসমৰ ঐতিহাসিক প্ৰসিদ্ধ ঠাইসমূহ (যেনে— তেজপুৰ, হাজো, শিৱসাগৰ আদি), অভয়াৰণ্য তথা বনাঞ্চলসমূহ (যেনে — মানাহ, পবিতৰা আদি), বিভিন্ন কুটীৰ শিল্প, মৃৎশিল্পৰ ঠাইসমূহ (যেনে— শুৱালকুছি, আশাৰীকান্দি আদি)ত পৰ্যটন উদ্যোগৰ সম্ভাৱনীয়তা যথেষ্ট বেছি। সেইদৰে মেঘালয়ৰ চেৰাপুঞ্জী, অৰুণাচলৰ টাৱাং, ব'মডিলা, পৰশুৰামকুণ্ড, মণিপুৰৰ লোকটাক হ্ৰদ, চিবৌ লুংপ (অৰ্কিডৰ বাবে) আদি ঠাইসমূহৰ লেখীয়াকৈ উত্তৰ-পূব ভাৰতৰ আটাইকেইখন ৰাজ্যতে পৰ্যটন উদ্যোগ গঢ়ি উঠাৰ পূৰ্ণ সম্ভাৱনা আছে।

## মনত ৰাখিবলগীয়া কথা ঃ

- ভৌগোলিক আৰু সাংস্কৃতিকভাৱে উত্তৰ-পূব ভাৰত এক বৈচিত্ৰ্যময় অঞ্চল।
- ভৌগোলিকভাৱে এই অঞ্চলক তিনিটা ভাগত ভাগ কৰিব পাৰি।
- ব্ৰহ্মপুত্ৰ, বৰাক, মণিপুৰ আৰু ত্ৰিপুৰাৰ সমভূমি অঞ্চলেই উত্তৰ-পূব ভাৰতৰ প্ৰধান সমভূমি।
- মেঘালয় আৰু কাৰ্বি আংলং ইয়াৰ প্ৰধান মালভূমি।
- মৌছুমী জলবায়ুৰ প্ৰভাৱ এই অঞ্চলত বিৰাজমান।
- কৃষিৰ ওপৰতে অধিক সংখ্যক মানুহ নিৰ্ভৰশীল।
- এই অঞ্চল প্ৰাকৃতিক সম্পদত চহকী হ'লেও শিল্প উদ্যোগত পিছপৰা।
- উত্তৰ-পূব ভাৰতত অৱস্থিত নদী দ্বীপ মাজুলী আৰু লোকটাক হ্ৰদ উল্লেখযোগ্য ভৌগোলিক অৱয়ব।

## অনুশীলনী ঃ

১। উত্তৰ লিখা—

(ক) উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্যক আগতে নেফা বুলি জনা গৈছিল?

(খ) কোনখন ৰাজ্যৰ ঠেক সমভূমি অংশই উত্তৰ-পূব ভাৰতক ভাৰত ভূখণ্ডৰ লগত সংযোগ কৰিছে?

(গ) উত্তৰ-পূব ভাৰতৰ প্ৰধান নদী কেইখন আৰু কি কি?

(ঘ) পাহাৰীয়া অঞ্চলতকৈ সমভূমি অঞ্চল কৃষি কাৰ্যত আগবঢ়া কিয়?

(ঙ) উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্য উদ্যোগৰ ক্ষেত্ৰত আগবঢ়া?

২। পাহাৰীয়া অঞ্চলত কেনে ধৰণে খেতি কৰা হয়? (৫০টা মান শব্দৰ ভিতৰত লিখা)

৩। খালী ঠাই পূৰণ কৰা—

(ক) উত্তৰ-পূব ভাৰতৰ সাতখন ৰাজ্যৰ মুঠ মাটিকালি ________ বৰ্গ কিল'মিটাৰ।

(খ) ভাৰতৰ উত্তৰ-পূব অঞ্চল ________ উত্তৰ অক্ষাংশৰ পৰা ________ উত্তৰ অক্ষাংশলৈকে বিস্তৃত।

(গ) উত্তৰ পূব মৌছুমী বতাহ ________ কালত বয়।

(ঘ) উত্তৰ-পূব ভাৰতত মুঠতে ________ খন ৰাজ্য আছে।

ঙ) ________ উত্তৰ-পূব ভাৰতৰ একেবাৰে দক্ষিণ ফালে থকা ৰাজ্য।

৪। উত্তৰ-পূব ভাৰতৰ মানচিত্ৰ এখন আঁকি তলত দিয়াবোৰ যথাস্থানত বহুওৱা—

(ক) উত্তৰ-পূব ভাৰতৰ চাৰিসীমা

(খ) ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী

(গ) অসম, মেঘালয়, মণিপুৰৰ ৰাজধানী

(ঘ) নামৰূপ সাৰ কাৰখানা

(ঙ) পৰ্যটন ক্ষেত্ৰ টাৱাং